# শিকনৰ ফলাফল

**অষ্টম শ্ৰেণী** | **ভাষা ঃ অসমীয়া**

## ছাত্ৰ-ছাত্ৰীয়ে ঃ

- কথোপকথনত আৰু বিভিন্ন বিষয়ৰ আলোচনাত অংশগ্ৰহণ কৰি বিশ্লেষণ কৰিব পাৰিব।
- যিকোনো কিতাপ, আলোচনী, বাতৰি-কাকত পঢ়ি, বুজি নিজৰ ভাল লগা, বেয়া লগা অনুভৱ প্ৰকাশ কৰিব পাৰিব।
- মান্য ভাষাত প্ৰকাশিত বিভিন্ন পঠন আহিলা, যেনে- বাতৰি-কাকত, কাহিনী, কুইজৰ কিতাপ, বৈদ্যুতিন মাধ্যমৰ তথ্য, ছপা সামগ্ৰী আদি পঢ়ি বুজি পাব আৰু নিজৰ মন্তব্য, সিদ্ধান্ত, সাৰাংশ আদি মৌখিক/সাংকেতিক/লিখিত ৰূপত প্ৰকাশ কৰিব পাৰিব।
- বিভিন্ন প্ৰকাৰৰ তথ্য ভিত্তিক পাঠ পঢ়িবলৈ শিকিব।
- বিভিন্ন স্থানীয়, সামাজিক, প্ৰাকৃতিক বিষয়ৰ বিষয়ে পৰ্যৱেক্ষণ কৰি নিজে সজাই-পৰাই লিখিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীৰ কল্পনাশক্তি আৰু সৃজনীশীল প্ৰতিভাৰ বিকাশ হ'ব। নিজৰ পছন্দ অনুসৰি নাটক, অভিনয়, আবৃত্তি আদিত অংশগ্ৰহণ কৰিব পাৰিব।
- বিভিন্ন প্ৰসংগত আনে কোৱা কথা শুনি নিজৰ ভাষাৰে প্ৰকাশ কৰিব, উদাহৰণস্বৰূপে— বিদ্যালয় সপ্তাহৰ কাৰ্যবিৱৰণী শুনি প্ৰতিবেদন তৈয়াৰ কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীৰ কল্পনাশক্তি আৰু সৃজনীশীল প্ৰতিভাৰ বিকাশ হ'ব। নিজৰ পছন্দ অনুসৰি নাটক, অভিনয়, আবৃত্তি আদিত অংশগ্ৰহণ কৰিব পাৰিব।
- পুথিভঁৰালৰ ব্যৱহাৰৰ বিষয়ে জানিব। নীৰৱ পঠনৰ বিষয়ে জানিব। কিছুমান পাঠ ওপৰে-ওপৰে খৰকৈ পঢ়ি তাৰ উপযোগিতা সম্পৰ্কে ক'ব পাৰিব।
- গ্ৰন্থমেলাৰ যোগেদি বিভিন্ন প্ৰকাৰৰ সাহিত্যৰ ৰচনাৱলীৰ লগত চিনাকি হ'ব আৰু পঢ়াৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাব।
- কুইজ, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতাত অংশ ল'বলৈ সাহস বাঢ়িব, কথন শৈলীৰ বিকাশ হ'ব।
- চিঠি-পত্ৰ, আবেদন লিখাৰ অনুশীলন কৰিব পাৰিব।
- ক্ষেত্ৰভ্ৰমণ কৰি অভিজ্ঞতা সম্পৰ্কে ক'ব আৰু লিখিব পাৰিব।
- প্ৰাকৃতিক দুৰ্যোগ প্ৰশমনৰ বিভিন্ন ব্যৱস্থাৰ বিষয়ে পঢ়ি, জানি বাস্তৱত প্ৰয়োগ কৰিব পাৰিব।
- ক্ৰিয়া-কলাপৰ ভিত্তিত ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞান আহৰণ কৰি প্ৰয়োগ কৰিব পাৰিব।
- কিছুমান পাঠ পঢ়ি যাওঁতে খোকোজা লাগিলে প্ৰয়োজন বিশেষে শিক্ষক, সমনীয়াৰ সহায়ত অভিধান, বিশ্বকোষ, মানচিত্ৰ আৰু ইণ্টাৰনেট বা আন পুথিৰ সহায় ল'ব পাৰিব।
- বৈদ্যুতিন মাধ্যমত প্ৰচাৰিত বক্তৃতা, ভাষণ, চলন্ত বিৱৰণী, কথোপকথন, বাতৰি চাই, শুনি বুজিব পাৰিব।

# Learning Outcomes

## Class VIII English

**The learner:**

- responds to instructions / announcements in school and public places viz. railway station, market, airport, cinema hall etc.
- uses appropriate vocabulary in conversations in English with people from different walks of life such as salespersons, bank staff, railway staff, shopkeepers, etc.
- discusses and writes a paragraph on the speeches, news, debates, commentaries, dialogues on TV and Radio.
- asks questions based on the text read or heard using appropriate vocabulary and accurate sentences.
- speaks or writes grammatically correct sentences on a variety of situations.
- participates in different events such as poetry recitation / skit / drama / debate / speech / elocution / declamation / quiz etc.
- infers the meaning of unfamiliar words by reading them in context.
- reads a variety of texts for pleasure and gives opinion / views on various cultures and issues.
- refers dictionary, thesaurus and encyclopedia while reading / writing.
- organises sentences and writes short passages coherently in English / Braille with a proper beginning, middle and end, using appropriate linkers and punctuation marks.
- writes a paragraph through the process of drafting, revising, editing and finalizing.
- writes answers to inferential/ extrapolative questions based on texts read / heard.
- writes email, messages, notice, formal letters, descriptions / narratives, personal diary, report, short personal experiences etc.
- develops a skit (dialogues from a story and story from dialogues) highlighting social and environmental issues.

# শিকনৰ ফলাফল

## অষ্টম শ্ৰেণী গণিত

**ছাত্ৰ-ছাত্ৰীয়ে ঃ**

- চানেকিৰ জৰিয়তে পৰিমেয় সংখ্যাৰ যোগ, বিয়োগ, পূৰণ আৰু হৰণ সম্বন্ধীয় ধৰ্মৰ সাধাৰণীকৰণ কৰিব পাৰিব।
- দুটা প্ৰদত্ত পৰিমেয় সংখ্যাৰ মাজত থকা পৰিমেয় সংখ্যাবোৰ (যিমান সম্ভৱ সিমান বেছিকৈ) উলিয়াব পাৰিব।
- 2, 3, 4, 5, 6, 9 আৰু 11ৰ বিভাজ্যতাৰ নিয়ম সমূহ প্ৰমাণ কৰিব লগতে সাঁথৰ আৰু দৈনন্দিন সমস্যাসমূহ সমাধান কৰিব পাৰিব।
- বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰি সংখ্যাৰ বৰ্গ, ঘন, বৰ্গমূল আৰু ঘনমূল নিৰ্ণয় কৰিব পাৰিব।
- লাভ, লোকচান, ৰেহাই, ভেট আৰু চক্ৰবৃদ্ধি সুত নিৰ্ণয় কৰোতে শতাংশৰ ধাৰণা প্ৰয়োগ কৰিব পাৰিব।
- প্ৰত্যক্ষ আৰু ব্যস্ত সমানুপাতৰ সমস্যা সমাধান কৰিব পাৰিব।
- কোণৰ ধৰ্ম ব্যৱহাৰ কৰি চতুভুৰ্জৰ লগত জড়িত কোণৰ সমস্যা সমাধান কৰিব পাৰিব।
- বীজগাণিতিক ৰাশি আৰু অভেদৰ জৰিয়তে দৈনন্দিন জীৱনৰ সমস্যা সমাধান কৰিব পাৰিব।
- সমান্তৰিকৰ ধৰ্মৰ সত্যতা নিৰূপণ কৰিব পাৰিব আৰু যুক্তিৰ জৰিয়তে এই বিলাকৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰিব।
- বৰ্গাকৃতিৰ জালি আৰু লেখ কাগজ ব্যৱহাৰ কৰি ট্ৰেপিজিয়াম আৰু অন্য বহুভুজ আকৃতিৰ কালি অনুমান কৰিব পাৰিব আৰু সূত্ৰৰ সহায়ত এইবোৰৰ সত্যতা নিৰূপণ কৰিব পাৰিব।
- আয়তীয় ঘনক আৰু চিলিণ্ডাৰ জাতীয় বস্তুৰ পৃষ্ঠভাগৰ কালি আৰু আয়তন উলিয়াব পাৰিব।
- দণ্ডচিত্ৰ আৰু পাইচিত্ৰ অংকন আৰু ব্যাখ্যা কৰিব পাৰিব।
- ভৱিষ্যতে ঘটিব পৰা ঘটনা বিলাকৰ সম্ভাৱনাৰ ওপৰত আনুমানিক সিদ্ধান্ত (hypotheses) ল'ব পাৰিব।


NCERT
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ
শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়োঁ, সকলোৱে আগবাঢ়োঁ

# শিকনৰ ফলাফল

## অষ্টম শ্ৰেণী — বিজ্ঞান

**ছাত্ৰ-ছাত্ৰীয়ে ঃ**

- গুণ বা ধৰ্ম, গঠন আৰু কাৰ্যৰ ওপৰত ভিত্তি কৰি পদাৰ্থ আৰু জীৱ যেনে- প্ৰাকৃতিক আঁহ আৰু কৃত্ৰিম আঁহ, স্পৰ্শ বল আৰু অস্পৰ্শ বল, বিদ্যুতৰ সুপৰিবাহী আৰু কুপৰিবাহী তৰল পদাৰ্থ, উদ্ভিদ আৰু প্ৰাণী কোষ, পোৱালী জন্ম দিয়া প্ৰাণী (জৰায়ুজ) আৰু কণীৰ পৰা পোৱালী জন্ম হোৱা প্ৰাণী (ডিম্বজ) এইবোৰৰ মাজত থকা পাৰ্থক্য উলিয়াব পাৰিব।
- ধৰ্ম বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি পদাৰ্থ আৰু জীৱৰ শ্ৰেণী বিভাজন কৰিব পাৰিব, যেনে- ধাতু আৰু অধাতু, খাৰিফ আৰু ৰবি শস্য, উপকাৰী আৰু অপকাৰী অণুজীৱ, যৌন আৰু অযৌন প্ৰজনন, জ্যোতিষ্ক, নিঃশেষীয় আৰু অনিঃশেষীয় প্ৰাকৃতিক সম্পদ ইত্যাদি।
- সহজ অনুসন্ধানমূলক কাৰ্য কৰি মনত উদয় হোৱা প্ৰশ্নবোৰৰ উত্তৰ বিচাৰিবলৈ প্ৰয়াস কৰিব, যেনে- দহনৰ বাবে কি কি অৱস্থাৰ প্ৰয়োজন ? আচাৰ আৰু জাম, জেলিত আমি কিয় নিমখ আৰু চেনি দিওঁ ? তৰল পদাৰ্থই একে গভীৰতাত সমান চাপ প্ৰয়োগ কৰেনে ?
- কাৰণসহ বিভিন্ন প্ৰক্ৰিয়া আৰু পৰিঘটনাৰ মাজত সম্পৰ্ক বিচাৰিব পাৰিব যেনে- বায়ু প্ৰদূষণৰ বাবে উৎপন্ন হোৱা ধোঁৱা মিশ্ৰিত গাঢ় কুঁৱলী; এচিড বৰষুণৰ বাবে কীৰ্তি চিহ্নবোৰৰ ক্ষতি সাধন ইত্যাদি।
- বিভিন্ন প্ৰক্ৰিয়া আৰু পৰিঘটনাৰ বৰ্ণনা কৰিব পাৰিব, যেনে- মানুহ আৰু প্ৰাণীৰ প্ৰজনন, শব্দৰ সৃষ্টি আৰু প্ৰসাৰণ, বিদ্যুৎ প্ৰৱাহৰ ৰাসায়নিক প্ৰভাৱ, বহু বিম্বৰ গঠন, শিখাৰ গঠন ইত্যাদি।
- ৰাসায়নিক বিক্ৰিয়াৰ সমীকৰণ লিখিব পাৰিব; উদাহৰণস্বৰূপে, বায়ু, পানী আৰু এছিডৰ লগত ধাতু আৰু অধাতুৰ বিক্ৰিয়া।
- আপতন আৰু প্ৰতিফলন কোণৰ জোখ ল'ব পাৰিব।
- অণুজীৱ, পিয়াঁজৰ বাকলি, মানুহৰ গালৰ ভিতৰৰ কোষ ইত্যাদিৰ শ্লাইড প্ৰস্তুত কৰিব পাৰিব আৰু এইবোৰৰ অতি সূক্ষ্ম গঠনৰ বৰ্ণনা কৰিব পাৰিব।
- চিত্ৰ/প্ৰৱাহমান চিত্ৰ আঁকি চিহ্নিত কৰিব পাৰিব, যেনে- কোষৰ গঠন, চকু, মানুহৰ প্ৰজনন অংগ, বিভিন্ন পৰীক্ষাৰ বাবে প্ৰয়োজনীয় আহিলা ইত্যাদি।
- পৰিৱেশত সহজতে পোৱা সামগ্ৰীৰে বিভিন্ন আহিঁ প্ৰস্তুত কৰিব পাৰিব আৰু এইবোৰৰ কাৰ্যাৱলী বৰ্ণনা কৰিব পাৰিব, যেনে- দোতোৰা, ইলেক্ট্ৰ'স্কপ, অগ্নি নিৰ্বাপক যন্ত্ৰ ইত্যাদি।
- বৈজ্ঞানিক ধাৰণাসমূহ দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব পাৰিব, যেনে- পানী বিশুদ্ধিকৰণ, জৈৱ নমনীয় আৰু জৈৱ অনমনীয় আৱৰ্জনাৰ পৃথকীকৰণ, শস্যৰ উৎপাদন বৃদ্ধি, বিভিন্ন কাৰ্যৰ বাবে সঠিক ধাতু আৰু অধাতুৰ ব্যৱহাৰ, ঘৰ্ষণ বঢ়োৱা/কমোৱা, কৈশোৰ কালৰ পৰম্পৰাগত ৰীতি-নীতি আৰু নিষিদ্ধ কাৰ্যৰ প্ৰতি প্ৰত্যাহ্বান জনাব পাৰিব।
- বৈজ্ঞানিক আৱিষ্কাৰৰ কাহিনীসমূহ আলোচনা কৰিব আৰু প্ৰশংসা কৰিব পাৰিব।
- পৰিৱেশ সংৰক্ষণৰ চেষ্টা কৰিব, যেনে- সুবিবেচনা আৰু সুচিন্তাৰে সম্পদৰ ব্যৱহাৰ, সাৰ আৰু কীটনাশক দ্ৰব্যৰ ব্যৱহাৰৰ নিয়ন্ত্ৰণ, পৰিৱেশৰ পৰা হ'ব পৰা বিপদ বা সংকটৰ সময়ত মোকাবিলা কৰিবলৈ দিহা পৰামৰ্শ প্ৰদান কৰিব পাৰিব।
- সহজলভ্য সমল ব্যৱহাৰ কৰি, সৃজনীমূলক প্ৰতিভাৰ দ্বাৰা পৰিকল্পনা কৰি আহিঁ প্ৰস্তুত কৰিব পাৰিব।
- সততা, যথাৰ্থতা, সহযোগিতা, ভয়মুক্ত আৰু অন্ধবিশ্বাসমুক্ত মূল্যবোধসমূহ দাঙি ধৰিব পাৰিব।

NCERT
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ
শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়োঁ, সকলোৱে আগবাঢ়োঁ

# শিকনৰ ফলাফল

## অষ্টম শ্ৰেণী

## সমাজ বিজ্ঞান

### ছাত্ৰ-ছাত্ৰীয়ে ঃ

- নিজ নিজ অঞ্চলত উৎপাদিত মূল খাদ্য-শস্য, খেতিৰ প্ৰকাৰ আৰু কৃষি ব্যৱস্থাৰ ব্যাখ্যা কৰিব পাৰিব।
- পৃথিৱীৰ মানচিত্ৰত কয়লা আৰু খনিজ তেলৰ বিতৰণ চিনাক্ত কৰিব পাৰিব।
- সকলো অঞ্চলৰ বিকাশৰ বাবে পানী, মাটি, অৰণ্যৰ সমুচিত ব্যৱহাৰ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ কৃষিৰ প্ৰকাৰ আৰু বিকাশৰ পাৰস্পৰিক সম্বন্ধ নিৰ্ণয় কৰিব পাৰিব।
- দণ্ডচিত্ৰৰ সহায়ত পৃথিৱীৰ বিভিন্ন দেশৰ লগতে ভাৰত আৰু ইয়াৰ ৰাজ্যসমূহৰ জনসংখ্যা দেখুৱাব পাৰিব।
- বিভিন্ন উৎসৰ সহায়ত প্ৰাচীন, মধ্য আৰু আধুনিক যুগৰ মাজৰ পাৰ্থক্য ঠাৱৰ কৰিব পাৰিব; ভাৰত উপ মহাদেশৰ বিভিন্ন অঞ্চলসমূহৰ নামকৰণ আৰু ইয়াৰ সামূহিক বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী কেনেকৈ এক নিয়ন্ত্ৰণকাৰী শক্তি হিচাপে পৰিগণিত হৈছিল সেই বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ মূল কাৰণ, বিদ্ৰোহৰ প্ৰকৃতি, বিস্তাৰ আৰু তাৰ পৰা লাভ কৰা অভিজ্ঞতাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- জাতি-বৰ্ণ, মহিলা, বিধবা-বিবাহ, বাল্য-বিবাহ, সমাজ সংস্কাৰ আদিৰ লগত জড়িত বিষয়সমূহ আৰু এই সন্দৰ্ভত ঔপনিৱেশিক প্ৰশাসনৰ নীতি সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব।
- ১৮৭০ চনৰ পৰা স্বাধীনতাৰ সময়লৈকে ভাৰতবৰ্ষৰ জাতীয় আন্দোলনৰ বিভিন্ন পৰ্যায়সমূহ বৰ্ণনা কৰিব পাৰিব।
- ভাৰতীয় সংবিধানৰ আধাৰত নিজ নিজ অঞ্চলৰ সামাজিক আৰু ৰাজনৈতিক বিষয়সমূহ ব্যাখ্যা কৰাৰ লগতে উপযুক্ত উদাহৰণেৰে মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্যসমূহৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।
- শিশুৰ শিক্ষাৰ অধিকাৰ, তথ্য জনাৰ অধিকাৰ আদিৰ দৰে প্ৰাসংগিক আইনৰ উদাহৰণৰ সৈতে সংসদৰ ভূমিকা আৰু আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ কাৰ্যকলাপসমূহ আৰু প্ৰাথমিক তথ্যৰ প্ৰতিবেদন দাখিলৰ প্ৰক্ৰিয়া সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- পিছপৰা শ্ৰেণীৰ লোকসকলে সন্মুখীন হোৱা অনগ্ৰসৰতাৰ কাৰণ আৰু পৰিণাম সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব।
- বিভিন্ন ধৰণৰ সুবিধাসমূহ,যেনে- পানী, অনাময় ব্যৱস্থা, ৰাস্তা-ঘাট, বিজুলী আদি জনসাধাৰণক প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব আৰু সেইবোৰৰ উপলব্ধতাক অনুভৱ কৰিব পাৰিব।

এন চি ই আৰ টি NCERT

প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়োঁ, সকলোৱে আগবাঢ়োঁ